**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-04 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছে যে, প্ৰধানমন্ত্ৰীয়ে ৰাজনীতিৰ সংস্কৃতি, সংজ্ঞা, শৈলী আৰু দৃষ্টিভংগী সলনি কৰি ৰাজনীতিত বিপ্লৱৰ সূচনা কৰিছে।

৩। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মূল সুঁতিৰ সংবাদ মাধ্যমে কৰ্মসংস্থাপনহীনতা আৰু বৰ্ধিত মূদ্ৰাস্ফীতিৰ লেখিয়া বিষয়সমূহক একাষৰীয়া কৰা বুলি মন্তব্য কৰিছে।

৪। সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

**আৰু**

৫। ৰাজস্থান ৰয়েলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে সমৰ্থন বিচাৰি জনসাধাৰণৰ কাষ চাপিছে। ভিন ভিন দলৰ তাৰকা প্ৰচাৰক সকলে দেশৰ বিভিন্ন স্থানত নিৰ্বাচনী সমাবেশ আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা সংসদীয় সমষ্টিৰ সমান্তৰালভাৱে ছিকিমৰ ৩২খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। নাগালেণ্ডৰ ছুমুকেডিমাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি কয় যে, প্ৰধানমন্ত্ৰীয়ে ৰাজনীতিৰ সংস্কৃতি, সংজ্ঞা, শৈলী আৰু দৃষ্টিভংগী সলনি কৰি ৰাজনীতিত বিপ্লৱৰ সূচনা কৰিছে।

বিজেপিৰ সভাপতিগৰাকীয়ে ভাষণ প্ৰসংগত নাগালেণ্ডৰ উন্নয়ন আৰু ৰাজ্যখনক মূল সুঁতিত চামিল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই চলোৱা প্ৰচেষ্টাত আলোকপাত কৰে। শ্ৰীনাড্ডাই কয় যে, চৰকাৰে সবকা সাথ সবকা বিকাশ সবকা বিশ্বাস আৰু সবকা প্ৰয়াস নীতিৰ অধীনত নাগা শান্তি চুক্তিৰ উৎকৰ্ষ সাধনৰ বাবে কাম কৰিব।

শ্ৰীনাড্ডাই লগতে দুৰ্নীতিত লিপ্ত হোৱা আৰু উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ বিষয়টো আওকান কৰাৰ বাবে বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। শ্ৰীনাড্ডাই ভোট লাভ কৰাৰ পাছত জনসাধাৰণক পাহৰি যোৱা

দৃষ্টিভংগীৰে নাগালেণ্ডৰ প্ৰগতি আৰু সমৃদ্ধিত বাধা সৃষ্টি কৰাৰ বাবে কংগ্ৰেছক সমালোচনা কৰে। এই অৱহেলাৰ নীতিৰ বাবে কংগ্ৰেছে নাগালেণ্ড বিধানসভাত এখনো আসন লাভ কৰিবলৈ সমৰ্থ হোৱা নাই বুলি বিজেপিৰ সভাপতিগৰাকীয়ে মন্তব্য কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টিভংগীত আলোকপাত কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয় যে, মোদীৰ দৃষ্টিভংগী অকল এক্ট ইষ্টটে সীমাবদ্ধ হৈ থকা নাই বৰং তেওঁ অঞ্চলটোক দক্ষিণ এছিয়া আৰু পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে গঢ়ি তোলাৰ বাবে অহৰহ চেষ্টা চলাই আছে। শ্ৰীনাড্ডাই ভোটদাতাসকলক ডাঃ ছুম্বেন মুৰীৰ হকে ভোটদান কৰিবলৈ আৰু ৰাজ্যখনত এন ডি পি পি-বিজেপি চৰকাৰৰ বিজয় সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

নিৰ্বাচনী সভাত অংশ লৈ এন ডি পি পি জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই কয় যে, এন ডি এ চৰকাৰে নাগা ৰাজনৈতিক গোটসমূহৰ সৈতে পৰিকাঠামো চুক্তি আৰু সহমতৰ স্থিতিত স্বাক্ষৰ কৰি নাগা ৰাজনৈতিক বিষয়সমূহক নতুন পৰ্যায়লৈ লৈ গৈছে।

ইপিনে কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি ৰাজস্থানৰ আলৱাৰত বিজেপিৰ প্ৰাৰ্থী হকে নিৰ্বাচনী সভাত ভাগ লৈ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১০ বছৰত অসম্ভৱ যেন প্ৰতীত হোৱা ভালেমান কাম সম্পূৰ্ণ হৈছে।  তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে পৰৱৰ্তী ২৫ বছৰৰ বাবে পৰিকল্পনা প্ৰস্তুতি কৰিছে, সেয়েহে তেওঁক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হোৱাৰ সুযোগ দিব লাগে। তেওঁ কয় যে, কংগ্ৰেছৰ শাসনকালত দেশৰ অভ্যন্তৰীণ সুৰক্ষা পৰিস্থিতি বেয়া আছিল। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, মোদী চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ বাবে ক্ষীপ্ৰতাৰে কাম কৰি আছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মায়েও কালি বিজেপি প্ৰাৰ্থীৰ হকে বিভিন্ন স্থানত প্ৰচাৰ চলায়। হনুমানগড় জিলাৰ ভদ্ৰাত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশৰ্মাই কয় যে, তেওঁৰ চৰকাৰে প্ৰশ্নকাকত ফাদিল চক্ৰৰ বিৰুদ্ধে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিছে। ইফালে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে কালি ধলপুৰৰ বছই নবাবত এখন নিৰ্বাচনী সভাত ভাগ লয়। দলৰ ৰাজ্যিক সভাপতি গোবিন্দ সিং ডোটাছৰা আৰু জ্যেষ্ঠ নেতা শচীন পাইলেটেও কালি ভিন ভিন স্থানত নিৰ্বাচনী সভাক সম্বোধন কৰে।

ইফালে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি মহাৰাষ্ট্ৰৰ ভণ্ডাৰা-গোণ্ডিয়া সংসদীয় সমষ্টিত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, মূল সুঁতিৰ সংবাদ মাধ্যমে কৰ্মসংস্থাপনহীনতা আৰু বৰ্ধিত মূদ্ৰাস্ফীতিৰ লেখিয়া বিষয়সমূহক একাষৰীয়া কৰিছে। তেওঁ লগতে প্ৰধানমন্ত্ৰী মোদীও এনে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ প্ৰতি কানসাৰ নিদিয়া বুলি অভিযোগ তোলে।

ইপিনে বহুজন সমাজ পাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে হৰিদ্বাৰত এটা নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰে।

০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আম্বেদকাৰৰ জয়ন্তী উপলক্ষে সংসদভৱনৰ প্ৰাংগণত মূল অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত নেতাগৰাকীৰ মূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ড০ বি আৰ আম্বেদকাৰৰ জন্ম বাৰ্ষিকী উপলক্ষে দেশবাসীক ওলগ জনাইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুই তেওঁৰ বাৰ্তাত কয় যে, সামাজিক পৰিৱৰ্তনৰ হোতা আৰু বহুমুখী ব্যক্তিত্বৰ ধনী বাবাছাহেব আম্বেদকাৰে এগৰাকী ন্যায়বিদ, শিক্ষাবিদ, অৰ্থনীতিবিদ, সমাজ সংস্কাৰক আৰু ৰাজনৈতিক নেতা হিচাপে অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ কয় যে, সাংবিধানিক ব্যৱস্থাৰ প্ৰতি তেওঁৰ বিশ্বাস আজিও ভাৰতীয় গণতন্ত্ৰ আৰু সুশাসনৰ ভেটিৰূপে পৰিগণিত হৈ আছে। ড০ আম্বেদকাৰে সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল আৰু গোটেই জীৱন ধৰি দলিত সকলৰ উন্নয়ন হকে সংঘৰ্ষ কৰিছিল বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে ড০ আম্বেদকাৰৰ আদৰ্শৰাজী গ্ৰহণ কৰি দেশৰ সৰ্বাত্মক উন্নয়নৰ বাবে সমূহীয়াভাৱে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ বাৰ্তাত কয় যে, ভাৰতবৰ্ষৰ মহান সন্তান ড০ আম্বেদকাৰ অকল ভাৰতীয় সংবিধানৰ প্ৰণেতাই নাছিল বৰং সামাজিক ন্যায়ৰো সমৰ্থক আছিল। তেওঁ কয় যে, সামাজিক বৈষম্য আৰু অসমতা দূৰ কৰাৰ বাবে আম্বেদকাৰে চলোৱা অক্লান্ত প্ৰচেষ্টাই প্ৰজন্ম প্ৰজন্ম ধৰি জনসাধাৰণক অনুপ্ৰেৰণা যোগাই যাব। আম্বেদকাৰে আইনৰ শাসন, জনসাধাৰণৰ স্বতন্ত্ৰতা, লিংগ সমতা আৰু উপান্ত শ্ৰেণীসমূহৰ সবলীকৰণৰ প্ৰসাৰত সহায়ক হোৱা সাংবিধানিক পৰিকাঠামোৰ জৰিয়তে এখন সমতাবাদী ভাৰতবৰ্ষ গঢ়াৰ বাবে সামাজিক পৰিৱৰ্তনৰ নেতৃত্ব বহন কৰিছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজিনিৰ্বাচনী প্ৰচাৰৰ বাবে কৰ্ণাটকলৈ যাব। বিয়লিৰ ভাগলৈ প্ৰধানমন্ত্ৰী গৰাকীয়ে মহীশূৰত এখন ৰাজহুৱা সভাত ভাষণ দিব। এই নিৰ্বাচনী প্ৰচাৰসভাত মহীশূৰ, চামাৰাজা নগৰ, মাণ্ডিয়া আৰু হাচান লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা দলীয় কৰ্মীসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতে তেও ৰাজ্যখনৰ উপকূলীয় চহৰ মংগালুৰুৰ এটা ৰোড শ্ব 'ত অংশগ্ৰহণ কৰিব। চহৰখনৰ শ্ৰী নাৰায়ণ গুৰু চক্ৰৰ পৰা নৱভাৰত চক্ৰলৈ এই ৰোড শ্ব 'ৰ আয়োজন কৰা হৈছে। মাংগালুৰু মহানগৰ কৰ্তৃপক্ষই জনসাধাৰণৰ সুবিধাৰ্থে আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সুৰক্ষা নিশ্চিত কৰিবলৈ মহানগৰীৰ ভিতৰত বাহন চলাচলৰ বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ বাবে দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে ১৬ গৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত গুজৰাটৰ চাৰিগৰাকী , হিমাচল প্ৰদেশৰ দুগৰাকী, চণ্ডীগড়ৰ এগৰাকী আৰু ওড়িশাৰ ৯ গৰাকী প্ৰাৰ্থীৰ নাম সন্নিবিষ্ট কৰা হৈছে।চণ্ডীগড় লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছৰ সাংসদ মনীষ তিৱাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে মাণ্ডী সমষ্টিৰ বাবে হিমাচল প্ৰদেশৰ মন্ত্ৰী ৱিক্ৰমাদিত্য সিঙক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। এই সমষ্টিটোৰ পৰা বিজেপিৰ হৈ অভিনেত্ৰী কংগনা ৰানাৱট নিৰ্বাচনত অৱতীৰ্ণ হ 'ব। ওড়িশাৰ বালাছৌৰ সমষ্টিৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীকান্ত জেনাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

আনহাতে গুজৰাট বিধানসভাৰ উপ-নিৰ্বাচনৰ বাবেও কংগ্ৰেছে চাৰিগৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে।

০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত পাঞ্জাবে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪৭ ৰান কৰে। ৰাজস্থানৰ হৈ কেশৱ মহাৰাজ আৰু অৱেশ খানে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান কৰে। পাঞ্জাব কিংছৰ হৈ কিগাছ' ৰ'বাডা আৰু ছেম কুৰেনে দুটাকৈ উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ ৰাধিকা আৰু শ্বিবানী পাৱাৰে কিৰ্গিস্তানৰ বিশকেকত অনুষ্ঠিত এছিয় মল্লযুদ্ধ প্ৰতিযোগিতাৰ কালি তৃতীয় দিনা মহিলাৰ ৬৮ আৰু ৫০ কিলোগ্ৰাম ওজন শাখাৰ ক্ৰমে ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিছে। ৰাধিকাই ফাইনেলত বৰ্তমানৰ বিশ্ব চেম্পিয়ন জাপানৰ নোনোকা অ'জাকিৰ হাতত ১৫-২ ফলাফলত পৰাজিত হয়। শ্বিবানী পাৱাৰে কোৱাৰ্টাৰ ফাইনেলত চীনৰ জিকি ফেঙৰ হাতত ৪-০ ফলাফলত পৰাভূত হৈ ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ভাৰতে প্ৰতিযোগিতাত বৰ্তমানলৈকে ৫টা পদক লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতৰ উদিতে বৃহস্পতিবাৰে পুৰুষৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ আৰু অভিমন্যু আৰু বিকিয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০

সমাপ্ত